# গধূলিৰ পাঠ আৰু ছাগ-কথা দেখহ শুনহ

## অভিনয়াৰ সফল নিবেদন

জিতুমণি পাঠক



সাম্প্ৰতিক সময়ত বিশ্বায়নৰ যি সৰ্বগ্ৰাসী প্ৰভাৱে সমগ্ৰ বিশ্বক চুই গৈছে তাত নিজৰ স্বকীয় অস্তিত্ব বৰ্তাই ৰখাটো এটি প্ৰত্যাহ্বান হিচাপে দেখা দিছে। ভাল-বেয়া বিবেচনা নকৰি আমি যিদৰে আনৰবোৰক অন্ধভাৱে অনুকৰণৰ প্ৰৱণতা সৃষ্টি হৈছে সিয়ে অশনি সংকট কঢ়িয়াই আনিছে আমাৰ ভাষা-সংস্কৃতিৰ প্ৰতি। এনে এটি প্ৰেক্ষাপটত 'আইৰ মুখৰ মাত' শীৰ্ষকৰে দেশ-জাতিৰ প্ৰতি দায়বদ্ধতা প্ৰকাশ কৰি যোৱা ৯ আগষ্টত 'অভিনয়া'ই যি সাংস্কৃতিক আন্দোলন আৰম্ভ কৰিলে সেয়া নিঃসন্দেহে প্ৰশংসনীয়। ২০১৩ বৰ্ষতে প্ৰয়াত শিল্পী জংকী বৰঠাকুৰৰ সোঁৱৰণত গঢ় লৈ উঠা অভিনয়াই চতুৰ্থ বৰ্ষত ভৰি দিলে। এই বৰ্ষত উঠি অহা প্ৰজন্মক নিজৰ অমিয়া ভাষা, সংস্কৃতি, পৰম্পৰাৰ সৈতে পৰিচয় কৰি দিয়াৰ মানসেৰে গ্ৰীষ্মকালীন কৰ্মশালাৰ অংশ হিচাপে পৰিৱেশন কৰিলে দুখন নাট- 'গধূলিৰ পাঠ' আৰু 'ছাগ-কথা দেখহ শুনহ'।

'গধূলিৰ পাঠ' নাটখনিৰ নাট্যকাৰ কুশল কৃষ্ণদেৱগোস্বামী। প্ৰায় আশীৰ দশকতে এই নাটখনি ৰচনা কৰা হৈছিল যদিও নাটখনিৰ প্ৰাসংগিকতা যেন আজিও অম্লান হৈ আছে সেই কথা নাটখন উপভোগ কৰি থকা প্ৰতিগৰাকী সচেতন দৰ্শকৰে অনুভূত হ'ব। এটি ৰূপকথাক আলম কৰি আগবঢ়া কাহিনীভাগত প্ৰতিফলিত হৈছে আজিৰ সামাজিক অৱক্ষয়ৰ প্ৰতিচ্ছবি, সুন্দৰ-অসুন্দৰৰ চিৰন্তন সংঘাত, বননিকৰণৰ সপক্ষে সদৰ্থক আহ্বান তথা সত্য আৰু সুন্দৰৰ জয়ৰ ইতিবাচক বাৰ্তা।

নাটখনি উপভোগ কৰা যিকোনো দৰ্শকে দ্বিধাহীনভাৱে এই কথা ক'ব পাৰিব যে এখন সৰ্বাংগসুন্দৰ নাট দৰ্শক ৰাইজৰ মাজলৈ উলিয়াই দিবলৈ অভিনয়াই যেন সামান্যতম আপোচো কৰা নাই। এই ক্ষেত্ৰত 'অভিনয়া'ৰ আঁৰৰ মূল ব্যক্তি জুবিন গাৰ্গ আৰু গৰিমা শইকীয়া গাৰ্গৰ আন্তৰিকতা প্ৰতিগৰাকী শিল্পী-কলা কুশলীয়ে মুকলি মনেৰে স্বীকাৰ কৰিছে। পৰিচালক সঞ্জীৱ বুঢ়াগোহাঁইয়ে নাটখনি পৰিচালনা কৰাৰ আগেয়ে হয়তো শিশুৰ মানসিক জগতখনৰ সৈতে এখন সাঁকো তৈয়াৰ কৰিবলৈ সক্ষম হৈছিল যাৰ বাবে প্ৰতিটো চৰিত্ৰৰ বাবে তেওঁ নিখুঁতভাৱে বাছি উলিয়াইছিল সঠিক একো গৰাকী শিল্পী। সেয়েহে এই অভিনয় শিল্পীসকলৰপৰা পৰিচালকে যিমান আশা কৰিছিল তাৰ নব্বৈ শতাংশ তেওঁ পোৱা বুলি দাবী কৰিব পাৰে। নাটখনৰ প্ৰতিটো নাট্য মুহূৰ্তত পৰিচালকৰ কুশলী হাতৰ স্পৰ্শ দৰ্শকৰ অনুভূত হ'ব। নাটখনিৰ প্ৰথমটি দৃশ্যতে বি পাল্কি (ৰাজকুঁৱৰী কান্ত) ৰোহ্ণা গৌতম শৰ্মা (ৰাজকোঁৱৰ অঙ্গদা) আৰু ভাগ্যজ্যোতি ভড়ালী (কুকি)ৰ শক্তিশালী তথা সংবেদনশীল অভিনয়ে দৰ্শকক যি মায়াময় জগতলৈ টানি লৈ যায় সেই মায়াময়তাত যেন সকলো আচ্ছন্ন হৈ থাকে নাটকখনিৰ শেষ দৃশ্যটিলৈকে। 'অভিনয়'ৰ উপৰি এই মায়াময়তা সৃষ্টিত বিশেষভাৱে অৰিহণা যোগাইছিল আৱহ সংগীতৰ ভদ্ৰকান্ত দাস, মঞ্চসজ্জাৰ বিনয় দাস আৰু সাধন দাসে। এই খিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে নাটখনিৰ সাৰ্থকতাত প্ৰভাৱী ভূমিকা গ্ৰহণ কৰিছিল জুৰি কলিতাৰ সৃজনীশীলতাত বাস্তৱ ৰূপ লাভ কৰা ব্যতিক্ৰমী সাজ-সজ্জাই তথা কৌশিকৰ পোহৰৰ অপূৰ্ব সঞ্চালনৰে সৃষ্টি কৰা যাদুকৰী মায়াময়তাই। তেওঁলোকৰ যুটীয়া প্ৰচেষ্টাত শিশুৰ মনবোৰৰ দৰে ৰঙীণ হৈ পৰিছিল মঞ্চৰ সমগ্ৰ পৰিৱেশ আৰু সেই ৰঙে যেন ঢৌৱাই থৈ গৈছিল দৰ্শককো। পৰিচালক সঞ্জীৱ বুঢ়াগোহাঁইয়ে এই ভিন্ন ৰঙবোৰৰ সৈতে যি কৌশলী খেল খেলিছিল তাতেই লাভ কৰিছিল 'গধূলিৰ পাঠ' নাটখনিয়ে সাৰ্থকতা।

নাটক এখনৰ সফলতা দলগত প্ৰচেষ্টাৰ ওপৰত নিৰ্ভৰ কৰে যদিও অভিনয় হৈছে নাট এখনিৰ মূল সম্পদ। শিশুসকলৰ মাজত নিহিত হৈ থকা অভিনয়কণক বাহিৰলৈ উলিয়াই আনিবলৈ পৰিচালকে যথেষ্ট কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছে যদিও তেওঁ এই কাৰ্যত সফল হৈছে বুলি ক'ব পাৰি। সকলোৰে অভিনয় পাৰদৰ্শিতাক প্ৰশংসা কৰা পিছত ক'ব লাগিব বি পাল্কি ভাগ্যজ্যোতি ভড়ালী, টিনামণি তালুকদাৰ আদিৰ দৰে কেইগৰাকীমান অভিনেত্ৰীৰ অভিনয়ে সকলোকে চুই চাবলৈ সক্ষম হৈছে। মুক্ত প্ৰকৃতিৰ আৱহাওৱাত ৰাজকুমাৰীৰ প্ৰাণ পাই উঠা উচ্ছলতা, কুকিৰ আগমনে সৃষ্টি কৰা আতংকগ্ৰস্ততা আদি ফুটাই তোলাত বি পাল্কি সম্পূৰ্ণৰূপে সফল হৈছে বুলি ক'ব পাৰি। ঠিক একেদৰে নেতিবাচক চৰিত্ৰ 'কুকি'ৰ অভিনয়ত যিদৰে ভাগ্যজ্যোতি ভড়ালীয়ে গোটেই নাটখনতে প্ৰভাৱী ভূমিকা গ্ৰহণ কৰিছিল ঠিক তেনেকৈয়ে 'পুষ্প-কন্যা'ৰ ৰূপত টিনামণি তালুকদাৰেও কম সময়তে নিজৰ প্ৰভাৱশালী উপস্থিতি ঘোষণা কৰিবলৈ সক্ষম হৈছিল।



'ছাগ-কথা দেখহ শুনহ'-ৰ পৰিচালক শশাংক সমীৰে ক'বৰ দৰে এয়া এখন নাট বুলি উপভোগ নকৰি শিশুসকলৰ কিছু নিৰ্দোষ মুহূৰ্তক উপভোগ কৰাৰ দৰে উপভোগ কৰিলেহে প্ৰকৃত আনন্দ পোৱা যাব বুলি কথাষাৰ মানি ল'ব পাৰি। অভিনয়ৰ অ-আ, ক-খখিনি মাত্ৰ কোনো মতে শিকি উঠা এই অতি কণমানিহঁতে মঞ্চত যি শৃংখলা প্ৰদৰ্শন কৰিলে সেয়া শলাগৰ পাত্ৰ। তেওঁলোকৰ মঞ্চত যি আহ-যাহ সেয়া দৰ্শকৰ মনত অনাবিল আনন্দৰ খোৰাক জন্মাবলৈ সক্ষম হৈছিল। তাৰ পিছতো সেই শিশু অভিনয় শিল্পীৰ মুখত কিয় শ্বাহৰুখ খানৰ বলীউডী সংলাপ জাপি দিয়া হ'ল সেয়া আমাৰ ঠিক বোধগম্য নহ'ল। নিঃসন্দেহে সেই সংলাপে দৰ্শকৰ মাজত হাঁহিৰ জোৱাৰ তুলিছিল। প্ৰশ্নটো উত্থাপিত নহ'লহেঁতেন যদিহে অভিনয়াৰ গোটেই প্ৰকল্পটোৰ থীম 'আইৰ মুখৰ মাত' নহ'লহেঁতেন। 'গোবিন্দাৰ নৃত্য'টিয়েও কিছু দৰ্শকৰ মনত একে প্ৰশ্নই সৃষ্টি কৰিছে। এই সামান্য দোষ-ত্ৰুটি কাষৰীয়া কৰিলে অভিনয়াই নিজ ভাষা-সাহিত্য-সংস্কৃতিৰ উত্তৰণৰ হকে যি প্ৰয়াস আৰম্ভ কৰিছে তাৰ বাবে নিঃসন্দেহে ধন্যবাদৰ পাত্ৰ।

লেখকৰ ম'বাইল : ৯৮৫৪০১৮১১৭